# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-10-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। ৰাজ্য চৰকাৰে ২০২৬ চনৰ ভিতৰত এক লাখ ৭০ হাজাৰ নিযুক্তি সম্পন্ন কৰাৰ লক্ষ্যৰে কাম কৰি থকা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। ৰাজ্যৰ ৪ লাখ কৃষকলৈ ভূমি স্বাস্থ্য পত্ৰ বিতৰণ। আন ৬ লাখ কৃষকে শীঘ্ৰেই ভূমি স্বাস্থ্য পত্ৰ লাভ কৰিব বুলি চৰকাৰৰ প্ৰতিশ্ৰুতি।

৩। ৰাজ্যজুৰি শাৰদীয় দুৰ্গা পূজাৰ প্ৰস্তুতি অব্যাহত। পূজাৰ সৈতে সংগতি ৰাখি গুৱাহাটী পৌৰ নিগমৰ স্বচ্ছতা প্ৰতিযোগিতাৰ আয়োজন।

৪। বিজ্ঞানী ভিক্টৰ এম্ব্ৰোজ আৰু গেৰী ৰুভকুনলৈ ২০২৪ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ ন'বেল বঁটা।

আৰু

৫। মহিলাৰ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ-বিৰ এখন খেলত ইংলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৰ উপস্থিতিত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰেক্ষাগৃহত আজি ৩৮৫ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰা হয়। ইয়াৰে শিক্ষা বিভাগত ২৮৪ গৰাকী আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত ১০১ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি অনুসৰি যোৱা ২৬ ছেপ্তেম্বৰ পৰ্যন্ত এক লাখ ২৪ হাজাৰ ৬৪৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। আজিৰ এই নিযুক্তিৰ পাছতে মুঠ নিযুক্তিৰ সংখ্যা ১ লাখ ২৫ হাজাৰ ৩০লৈ বৃদ্ধি পালে। অনুষ্ঠানৰ পাছত সাংবাদিকৰে সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এতিয়াও প্ৰায় ৪০ হাজাৰ পদৰ বাবে নিযুক্তি প্ৰক্ৰিয়া চলি আছে। ২০২৬ চনৰ ভিতৰত এক লাখ ৭০ হাজাৰ নিযুক্তি সম্পন্ন কৰাৰ লক্ষ্যৰে কাম কৰি থকা বুলিও তেওঁ লগতে প্ৰকাশ কৰে। বৰ্তমানলৈকে সম্পন্ন হোৱা এক লাখতকৈও অধিক নিযুক্তি সন্দৰ্ভত কোনো ধৰণৰ অনিয়মৰ অভিযোগ উত্থাপন হোৱা নাই বুলিও মুখ্যমন্ত্ৰী শৰ্মাই মন্তব্য কৰে।

***(ভইছ কাষ্ট)***

আনহাতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে আজিৰ নিযুক্তি প্ৰদান অনুষ্ঠানৰ সন্দৰ্ভত কয় যে, ৰাজ্য চৰকাৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাসৰ মূল্য দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ১ লাখ নিযুক্তি অতিক্ৰম কৰাটোৱে এই কথাকেই প্ৰমাণ কৰিছে।

০০০০

ৰাজ্যৰ কৃষিখণ্ডৰ উন্নয়ন তথা কৃষকসকলৰ সহায়ক হোৱাকৈ চৰকাৰে আজি কৃষকসকলৰ মাজত বিভিন্ন কৃষি যন্ত্ৰপাতি আৰু ভূমি স্বাস্থ্য-পত্ৰ বিতৰণৰ লগতে কৃষি জ্ঞান কেন্দ্ৰ মুকলি কৰে। এই উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কৃষিমন্ত্ৰী অতুল বৰাই ২৫০টা কৃষক গোটৰ লগতে দুহেজাৰ ৪৯০ গৰাকী কৃষকলৈ ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, কঠীয়া ৰোপণ যন্ত্ৰকে ধৰি বিভিন্ন যন্ত্ৰপাতি বিতৰণ কৰে। অনুষ্ঠানত কৃষকসকলৰ মাজত ৪ লাখতকৈও অধিক ভূমি স্বাস্থ্য-পত্ৰ বিতৰণ কৰাৰ লগতে ৯৬টা কৃষি জ্ঞান কেন্দ্ৰও মুকলি কৰা হয়। ইয়াৰ লগতে ৯৩ টা কৃষিৰ উন্নয়ন বিষয়াৰ কাৰ্যালয় মুকলি কৰা হয়।

এতিয়ালৈ ২৩ লাখৰো অধিক কৃষকক ভূমি স্বাস্থ্য পত্ৰ যোগান ধৰা হৈছে। ৰাজ্য চৰকাৰে ২০২৪-২৫ বৰ্ষত ১০ লাখ ভূমি স্বাস্থ্য পত্ৰ কৃষকৰ মাজত বিতৰণ কৰাৰ লক্ষ্য হাতত লৈছে। শীঘ্ৰে বাকী থকা ৬ লাখ কৃষককো ভূমি স্বাস্থ্য পত্ৰ বিতৰণ কৰা হ'ব বুলি কৃষি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

গুৱাহাটী মহানগৰৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত ভূমি স্বাস্থ্য পত্ৰ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। শোণিতপুৰ জিলাত বিধায়ক পৃথ্বিৰাজ ৰাভাৰ উপস্থিতিত দুহেজাৰৰো অধিক কৃষকক আনুষ্ঠানিকভাৱে ভূমি স্বাস্থ্য পত্ৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে জিলাখনৰ কৃষি বিভাগৰ অধীনত থকা মাটি পৰীক্ষণ কেন্দ্ৰই ৯৪ খন গাঁৱৰ প্ৰায় ২৭ হাজাৰ কৃষকৰ ভূমিৰ নমুনা সংগ্ৰহ কৰাৰ বিপৰীতে ২৬০০ ৰো অধিক কৃষকৰ মাটিৰ নমুনা পৰীক্ষা সম্পন্ন কৰিছে। এই পৰীক্ষণৰ অন্তত কৃষি বিভাগে দুহেজাৰ ৮৬ খন ভূমি স্বাস্থ্য পত্ৰ প্ৰস্তুত কৰে।

আনহাতে, যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত বৰভেটাৰ মাটি পৰীক্ষাগাৰ কেন্দ্ৰত ৰাজ্য চৰকাৰে গুৱাহাটীত আয়োজন কৰা কৃষি যন্ত্ৰ-পাতি, ভূমি স্বাস্থ্য পত্ৰ বিতৰণৰ লগতে কৃষি কেন্দ্ৰৰ মুকলি অনুষ্ঠান পোনপটীয়াকৈ সম্প্ৰচাৰ কৰে।

0000000

মাইক্ৰো আৰ এন এৰ আৱিষ্কাৰ আৰু পোষ্ট ট্ৰেন্সক্ৰিপচনেল জিন নিয়ন্ত্ৰণত ইয়াৰ ভূমিকা সন্দৰ্ভত কৰা গৱেষণাৰ বাবে বিজ্ঞানী ভিক্টৰ এম্ব্ৰোজ আৰু গেৰী ৰুভকুনলৈ ২০২৪ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে, মাইক্ৰো আৰ এন এ হৈছে জিনৰ কাৰ্যক্ষমতা নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় এটা প্ৰাথমিক সিদ্ধান্ত। উল্লেখ্য যে, ১৯০১ চনৰে পৰা প্ৰদান কৰি অহা চিকিৎসা বিজ্ঞানত এইটো হৈছে ১১৫ সংখ্যক ন'ৱেল বঁটা। পদাৰ্থ বিজ্ঞানৰ নৱেল বঁটাৰ ঘোষণা কাইলৈ আৰু ৰসায়ন বিজ্ঞানৰ ঘোষণা বুধবাৰে কৰা হ'ব।

0000000

অসম প্ৰত্যক্ষ নিযুক্তি আয়োগৰ অধীনৰ তৃতীয় বৰ্গৰ চতুৰ্থ আৰু পঞ্চম কাকতৰ পৰীক্ষাৰ বাবে অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ বাবে এলানি গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰা হৈছে। এই অনুসৰি প্ৰাৰ্থীসকলে ৮ অক্টোবৰৰ পৰা ২২ অক্টোবৰ পৰ্যন্ত তেওঁলোকৰ অ' এম আৰ শ্বীট ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে চতুৰ্থ আৰু পঞ্চম দুয়োখন কাকতৰ অফিচিয়েল এনচাৰ কী ৯ অক্টোবৰৰ পুৱা ৬ বজাৰ পৰা উপলব্ধ হ'ব। প্ৰাৰ্থীসকলে তেওঁলোকৰ উত্তৰ বহী পুনৰীক্ষণ কৰিবলৈ বিচাৰিলে ৯ অক্টোবৰৰ পৰা ১৮ অক্টোবৰৰ ভিতৰত আবেদন জনাব পাৰিব।

0000000

গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই বিশ্ববিদ্যালয়ৰ দুটা ছাত্ৰাবাস খালী কৰিবলৈ দিয়া নিৰ্দেশনা প্ৰত্যাহাৰ কৰিছে। নিৰ্বাচনকেন্দ্ৰিক সংঘাতৰ পাছত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আৰ চি চি ১ নম্বৰ আৰু ২ নম্বৰ ছাত্ৰাবাস খালী কৰিবলৈ নিৰ্দেশ দিছিল। বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ এই নিৰ্দেশনাৰ পাছতে আবাসীসকলে প্ৰতিবাদ সাব্যস্ত কৰে। শিক্ষাৰ্থীসকলৰ প্ৰতিবাদৰ পাছতে কৰ্তৃপক্ষই পূৰ্বে দিয়া নিৰ্দেশনা প্ৰত্যাহাৰ কৰে। ইপিনে, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত সৃষ্টি হোৱা নিৰ্বাচনকেন্দ্ৰিক সংঘাত সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিশ্ববিদ্যালয়সমূহত সৃষ্টি হোৱা নিৰ্বাচনকেন্দ্ৰিক খাম-খেয়ালী দুৰ্ভাগ্যজনক বুলি আখ্যা দি তেওঁ আবাসসমূহত অধিক কঠোৰ নীতি-নিয়ম আৰোপ কৰা হ'ব বুলি প্ৰকাশ কৰে। শিক্ষাৰ্থীৰ সুৰক্ষিত ভৱিষ্যত নিশ্চিত কৰাটো চৰকাৰ তথা শিক্ষানুষ্ঠান কৰ্তৃপক্ষই প্ৰথম আৰু প্ৰধান দায়িত্ব বুলিও তেওঁ উল্লেখ কৰে। প্ৰাক্তন আবাসীয়ে ছাত্ৰাবাসত থকাটো কোনোপধ্যেই গ্ৰহণযোগ্য নহয় বুলি তেওঁ কয়।

0000000

বৰপেটা সত্ৰ পৰিচালনা সমিতিৰ নৱ -নৰ্বাচিত সদস্যসকলে আজি শপতগ্ৰহণ কৰে। বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে ডেকা সত্ৰীয়া গৌতম পাঠকৰ উপস্থিতিত সত্ৰ পৰিচালনা সমিতিৰ নিৰ্বাচিত ২৮ গৰাকী সদস্যক সত্ৰখনৰ মঠৰ চোতালত শপতবাক্য পাঠ কৰোৱায়। উল্লেখযোগ্য যে যোৱা ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত

হোৱা নিৰ্বাচনত বৰপেটা সত্ৰৰ ২২ খন হাটীৰ পৰা ২৮ গৰাকী সদস্য নিৰ্বাচিত হৈছিল। বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়াক সভাপতি হিচাপে লৈ গঠন হোৱা সত্ৰ পৰিচালনা সমিতিৰ সম্পাদকক নিৰ্বাচিত কৰাৰ বাবে পৰম্পৰাগতভাৱে সত্ৰৰ পাট চাঙত নৱনিৰ্বাচিত সদস্যসকলৰ সভা অনুষ্ঠিত হয়। এই সভাতে অহা তিনি বছৰৰ বাবে অশোক কুমাৰ দাসক সমিতিৰ সম্পাদক ৰূপে নিৰ্বাচন কৰা হৈছে বুলি বুঢ়া সত্ৰীয়া ড° দাসে জানিবলৈ দিয়ে।

০০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। কালি দুপৰীয়া ভাগৰে পৰা বতৰ কিছু ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পূজাৰ প্ৰস্তুতি অব্যাহত আছে। পূজা সমিতিসমূহে বিভিন্ন বিষয়বস্তুক আধাৰ হিচাপে লৈ পূজা মণ্ডপসমূহ আটকধুনীয়াকৈ সজাই তুলিছে। সমান্তৰালভাৱে বতৰ ফৰকাল হোৱাৰ লগে লগে মহানগৰীৰ ফাঁচীবজাৰ, গণেশগুৰিত গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে। একেদৰে ৰাজ্যৰ অন্য প্ৰান্ততো মন পছন্দৰ কাপোৰ বিচাৰি বজাৰত গ্ৰাহকে ভিৰ কৰিছে। ইপিনে, প্ৰশাসনে দুৰ্গা পূজা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে পূজা সমিতিসমূহলৈ যাৱতীয় নীতি-নিৰ্দেশনা জাৰি কৰিছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৪৫০খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে।

০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে গুৱাহাটী পৌৰ নিগমে বিগত বৰ্ষৰ দৰে এইবাৰো পূজা সমিতিসমূহৰ মাজত স্বচ্ছতা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আজি এখন সংবাদমেলযোগে দুৰ্গা পূজাৰ পৰা কালী পূজালৈকে স্বচ্ছতা বজাই ৰখা পূজা সমিতিসমূহক প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ প্ৰদানৰ কথা ঘোষণা কৰে। এই অনুসৰি প্ৰথম পুৰস্কাৰপ্ৰাপ্ত ২৫ খন পূজা সমিতিক ১০ হাজাৰ টকাকৈ, দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত ৫০ খন পূজা সমিতিক ৭ হাজাৰ টকাকৈ আৰু তৃতীয় পুৰস্কাৰপ্ৰাপ্ত ১০০ খন পূজা সমিতিক ৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই প্ৰতিযোগিতাৰ বাবে গুৱাহাটী পৌৰ নিগমে এখন প্ৰ-পত্ৰ যুগুত কৰি উলিয়াইছে বুলিও শ্ৰী শৰণীয়াই প্ৰকাশ কৰে।

***(ভইছ কাষ্ট)***

ইয়াৰ উপৰি পেলনীয়া সামগ্ৰী তথা জাৱৰ আদি সংগ্ৰহৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰা বেচৰকাৰী সংস্থাসমূহৰ মাজতো প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বিষয়ে তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে, লগতে পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ ক্ষেত্ৰত ভূমিকা লোৱা পাৰিষদসমূহৰ সংশ্লিষ্ট ৱাৰ্ডৰ উন্নয়নৰ বাবেও বিশেষ পুঁজি আগবঢ়োৱা হ'ব। দুৰ্গা পূজাৰ মণ্ডপসমূহত **আমাৰ গুৱাহাটী, দায়িত্বও আমাৰ** শীৰ্ষক শ্লোগান লগোৱাৰ ব্যৱস্থা কৰিব বুলিও মেয়ৰগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

**পথ সুৰক্ষা জীৱন ৰক্ষা** শ্লʼগানেৰে ৰাজ্য চৰকাৰৰ পৰিবহণ বিভাগে আজিৰ পৰা ১৩ অক্টোবৰলৈ ৰাজ্যিক পথ সুৰক্ষা সপ্তাহ পালন কৰিছে। মন্ত্ৰী কেশৱ মহন্তই অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত পথ

সুৰক্ষা সপ্তাহৰ সজাগতামূলক বাইক সমদল মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত অংশ লৈ দুৰ্ঘটনা ৰোধ কৰাৰ বাবে যান-বাহন আইন মানি চলিবলৈ সকলোৰে প্ৰতি তেওঁ আহ্বান জনাইছে। জিলা পৰিবহণ বিষয়াসকলৰ সৈতে এখন সন্মিলনত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে বিভাগীয় বিভিন্ন দিশ সন্দৰ্ভত মত বিনিময় কৰে। সন্মিলনত যান-বাহনৰ পঞ্জীয়ন, চলাচল পথৰ অনুমতি, চালকৰ অনুজ্ঞাপত্ৰ, পথ সুৰক্ষা, ৰাজহ সংগ্ৰহ আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়।

সকলো চালককে বাহনৰ গতিৰ প্ৰতি লক্ষ্য ৰখাৰ লগতে যান-বাহন আইন মানি চলা, সুৰক্ষাৰ বাবে ছিটবেল্ট তথা হেলমেট পৰিধান কৰা আৰু সুৰাপান কৰি গাড়ী নচলাবলৈ পৰিবহণ বিভাগে আহ্বান জনাইছে।

০০০০০০০

নাগৰিককেন্দ্ৰিক সেৱা বিতৰণ প্ৰক্ৰিয়া অধিক সুষম আৰু সহজসাধ্য কৰি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে মুকলি কৰা সেৱা সেঁতু প'ৰ্টেলে জনতাৰ ব্যাপক সঁহাৰি লাভ কৰিছে। মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰা অনুসৰি প'ৰ্টেলটোত বৰ্তমানলৈ ৰাজ্য চৰকাৰৰ প্ৰায়বোৰ বিভাগ, সংস্থা আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত পৰিষদসমূহৰ ৬৩৬ টা সেৱা নাগৰিকৰ বাবে উপলব্ধ কৰা হৈছে। এই প'ৰ্টেলত ৯০ শতাংশতকৈ অধিক নিষ্পত্তি হাৰৰ সফলতাৰে বৰ্তমানলৈ ১ কোটি ৪৬ লাখ আবেদন লাভ কৰা হৈছে। প'ৰ্টেলত উপলব্ধ সেৱাৰ সংখ্যা চলিত বৰ্ষত ৮০০ লৈ বৃদ্ধিৰ লক্ষ্যত উপনীত হোৱাৰ উপৰি অনাগত দিনত এই সংখ্যা এহেজাৰৰো অধিক কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰচেষ্টা গ্ৰহণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিছে। উল্লেখযোগ্য যে এই সেৱা সেঁতু প'ৰ্টেলৰ জৰিয়তে ঘৰতে বহি বিভিন্ন চৰকাৰী সেৱাসমূহ লাভ কৰিব পাৰে।

০০০০০০০

মহিলাৰ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া শ্বাৰজাহত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত ইংলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে কালি ডুবাইত অনুষ্ঠিত এখন খেলত ভাৰতে পাকিস্তানক ৬ উইকেটত পৰাস্ত কৰে। ভাৰতে পৰহিলৈ শ্ৰীলংকাৰ বিৰুদ্ধে আৰু অহা দেওবাৰে যোৱাবাৰৰ বিজয়ী অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলিব।

০০০০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ উপাধ্যক্ষ অজিত কুমাৰ দে'ৰ হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫০ বছৰ। তেওঁ ২০১৭ চনত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদলৈ সদস্যৰূপে মনোনীত হোৱাৰ উপৰি ২০২২ চনত বিজেপিৰ পৰা হাওৰাঘাট পৰিষদীয় সমষ্টিক প্ৰতিনিধিত্ব কৰি পৰিষদলৈ নিৰ্বাচিত হৈছিল।

০০০০০০০

**সমাপ্ত**